সাহিত্যৰ দহোটি বিষয়ত তেওঁৰ হাতৰ দহোটি আঙুলিৰ চাপ দি থৈ গৈছে। নিজৰ প্ৰতিভাৰ বন্তিৰে জগত পোহৰ কৰা বেজবৰুৱা স্বৰূপাৰ্থত আছিল অসমীয়া জাতিৰ অভিভাৱকস্বৰূপ। উচ্চ শিক্ষাৰ বাবে কলিকতালৈ যোৱা বেজবৰুৱাই বঙালী সাহিত্যৰ বিশালতা দেখি অভিভূত হৈ সেই একেই আদৰ্শৰে অসমীয়া ভাষা-সাহিত্যকো সেই পথেৰে আগুৱাই নিয়াৰ উদ্দেশ্যে পাশ্চাত্য ভাবধাৰা সংযোগ কৰি এক শ্ৰেণীৰ নতুন সাহিত্য সৃষ্টিত মনোনিৱেশ কৰিছিল। য'ৰপৰা আধুনিক ভাষা-সাহিত্যৰ বাট মুকলি হৈছিল। প্ৰবাসী ছাত্ৰ জীৱনৰ পৰা আৰম্ভ কৰি জীৱনৰ অন্তিম সময়লৈকে অধিকাংশ সময় কলিকতাতে পাৰ কৰিলেও প্ৰতিটো খোজতে তেওঁৰ মন-প্ৰাণ অসমী আইৰ কোলাতে আছিল। অসমীয়া ভাষা-সাহিত্যক বঙালী ভাষা-সাহিত্যৰ সমপৰ্যায়ৰ নহ'লে তুলনা কৰিব পৰা পৰ্যায়লৈ লৈ যাবলৈ সক্ষম হৈছিল বেজবৰুৱাই। এজন গল্পকাৰ, উপন্যাসিক, জীৱনীমূলক সাহিত্য ৰচয়িতা, আত্মজীৱনীকাৰ, তত্ত্বগধুৰ প্ৰবন্ধ ৰচক, ব্যংগাত্মক সাহিত্য, শিশু সাহিত্য ৰচনা কৰাৰ উপৰি এগৰাকী কবি আৰু গীতিকাৰ হিচাপেও বেজবৰুৱাই নিজৰ প্ৰতিভাৰ বন্তি জ্বলাই থৈ গৈছে।

**গীতিকাৰ বেজবৰুৱা ঃ**

"কবিতা হয় যদি হওক, নহয় যদি নহওক বুলি মাজেসময়ে লিখা পদ্যবোৰ গোটাই একে ঠাই কৰি এই কিতাপখন কৰা হ'ল, কবি হ'বৰ দুৰাশা কৰি নহয়" -বুলি কৈ বেজবৰুৱাই ৰচনা কৰিছিল 'কদমকলি' নামৰ কবিতা পুথিখন। ১৯১৩ চনত এই পুথিখন প্ৰকাশ পাইছিল। পৰৱৰ্তী সময়ত মৰণোত্তৰভাবে প্ৰকাশ কৰা হৈছিল 'পদুমকলি' নামৰ দ্বিতীয়খন কবিতাৰ পুথি। এই কবিতা পুথি দুখনতে সন্নিৱিষ্ট হৈছে একাধিক গীত। তদুপৰি বেজবৰুৱাৰ নাটককেইখনতো গীতৰ সংযোজন দেখা যায়। যথেষ্টসংখ্যক নহ'লেও এক বুজন পৰিমাণৰ গীত বেজবৰুৱাই অসমীয়া জাতিটোক দি থৈ গৈছে। তদুপৰি আধুনিক অসমীয়া গীতি সাহিত্যৰ ক্ষেত্ৰখনত বেজবৰুৱা আছিল প্ৰথম স্তৰৰ গীতিকাৰ। সেয়ে বেজবৰুৱাৰ গীতৰ গুৰুত্ব আছিল অনন্য। আধুনিক অসমীয়া গীতৰ সাধক লক্ষ্মীৰাম বৰুৱাৰ সমসাময়িক স্তৰত বেজবৰুৱাই গীত ৰচনা কৰিছিল। জোনাকীৰ সময়ৰ পৰাই গীত ৰচনা কৰিছিল যদিও প্ৰকৃতাৰ্থত গীতিকাৰ হিচাপে খ্যাতি অৰ্জন কৰিছিল উত্তৰ জোনাকী স্তৰতহে। বেজবৰুৱাই উচ্চ শিক্ষা লাভৰ বাবে কলিকতালৈ যোৱাৰ সময়ছোৱাত অসমৰ সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক, সাংস্কৃতিক দিশত ইংৰাজৰ আগ্ৰাসন চলি আছিল। সেই সময়তে একশ্ৰেণীৰ অসমীয়া গীত ৰচিত হৈছিল যদিও সেই গীতবোৰ আছিল বঙালী প্ৰভাৱযুক্ত গীত। কলিকতাৰ বঙালী সমাজত থাকিয়ে বেজবৰুৱাই অসমীয়া ভাষাৰ শ্ৰীবৃদ্ধিৰ

হকে নানান শ্ৰেণীৰ সাহিত্যত মনোনিৱেশ কৰাৰ সমান্তৰালকৈ গীত ৰচনাতো হাত দিছিল; যিবোৰ গীতত আছিল অসমীয়া তেজ।

গীতিকাৰ হিচাপে বেজবৰুৱাৰ প্ৰথম পৰিচয় 'মোৰ দেশ'। অসমীয়া জাতিৰ জাতীয় সংগীতৰূপে পৰিচিত এই গীতটি ১৯২৯ চনত অক্টোবৰ মাহত দেশভক্ত তৰুণৰাম ফুকনৰ সভাপতিত্বত তেজপুৰত অনুষ্ঠিত অসম ছাত্ৰ সন্মিলনৰ বাৰ্ষিক অধিৱেশনত প্ৰথমবাৰৰ বাবে গোৱা হৈছিল। প্ৰতিটো শব্দই স্বদেশপ্ৰেমৰ বতৰা কঢ়িয়াই অনা 'মোৰ দেশ' গীতটো অসমীয়া জাতিৰ অস্তিত্ব জীয়াই থাকে মানে অসমীয়াৰ বুকুত বাজি থাকিব।

**বেজবৰুৱাৰ গীতৰ ভিন্ন বিশেষত্ব ঃ**

লক্ষ্মীনাথ বেজবৰুৱাৰ গীতৰ সামগ্ৰিক আলোচনা কৰিলে গীতবোৰৰ মাজত কেতবোৰ সুকীয়া বিশেষত্ব প্ৰতিফলিত হোৱা দেখা যায়। বেজবৰুৱাৰ গীতৰ প্ৰসংগত প্ৰথমেই চকুত পৰা বিশেষত্বটো হ'ল স্বদেশপ্ৰেম বা জাতীয় প্ৰেম। বৰলুইতৰ বুকুত জন্মগ্ৰহণ কৰা বেজবৰুৱাৰ দেহ-মনত অহৰহ স্বদেশপ্ৰেমৰ সুৰ বাজি আছিল। ড° মহেশ্বৰ নেওগে বেজবৰুৱাৰ বিষয়ে কৈ গৈছে, "বেজবৰুৱা এক সাহিত্যিক ব্যক্তিয়ে নহয়, তেওঁ আছিল এক আন্দোলন।" অসমীয়া জাতিৰ অভিভাৱকস্বৰূপ বেজবৰুৱাৰ তেজত আছিল জাতীয়তাবাদৰ সুৰ। মাতৃভূমিৰ প্ৰতি তেওঁৰ আছিল অকৃত্ৰিম স্নেহ। কৰ্মসূত্ৰে আৰু পাৰিবাৰিক কাৰণত জীৱনৰ অধিকাংশ সময় পত্নী প্ৰজ্ঞা সুন্দৰীৰ ঘৰত থাকিবলগীয়া হৈছিল। বঙালী পৰিয়াল এটাত থাকি অসমীয়া ভাষা চৰ্চাত মনোনিৱেশ কৰা বেজবৰুৱাক সেই পৰিয়ালৰ পৰা বঙালী ভাষা-সাহিত্যৰ চৰ্চা কৰিবলৈ হেঁচা প্ৰয়োগ কৰা হৈছিল। কিন্তু স্বাধীনমনা বেজবৰুৱাই তাকে নকৰি অসমী আইৰ শ্ৰীচৰণত নিজকে অৰ্পণ কৰিছিল। বেজবৰুৱাৰ সেই অক্লান্ত পৰিশ্ৰমে ম্লান পৰিবলৈ আৰম্ভ কৰা অসমীয়া ভাষাটোক জিলিকাই তুলিছিল। তাৰে ফলশ্ৰুতিত বেজবৰুৱাৰ কাপৰ পৰা নিৰ্গত হৈছিল একশ্ৰেণীৰ স্বদেশপ্ৰেমমূলক গীত; যিবোৰ গীত শুনিলে আপোনা-আপুনি জাতীয় ভাব জাগি উঠে। অসমৰ জাতীয় সংগীত, অসম সংগীত, আমাৰ জন্মভূমি আদি তেনে শ্ৰেণীৰ গীত। জ্যোতিপ্ৰসাদ আগৰৱালাই কোৱাৰ দৰে - 'যি সংগীতে সেই জাতিৰ অন্তৰৰো অন্তৰৰ সুপ্ত প্ৰাণটিক জগাব নোৱাৰে সেই সংগীত সেই জাতিৰ সংগীতেই নহয়।'[১] হয়তো এইধৰণৰ ভাব আগত ৰাখিয়েই বেজবৰুৱাই গীত ৰচনা কৰিছিল। বেজবৰুৱাৰ আটাইবোৰ সাহিত্যত জাতীয় ভাবধাৰা নিহিত হৈ থকাৰ দৰে গীতৰ মাজতো সেই সুৰ স্পষ্ট হৈ প্ৰকাশ পাইছে। মাতৃভূমিৰ

সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ গীতসমূহত প্ৰধানকৈ জাতীয় চেতনা, দেশপ্ৰেম আৰু ৰোমাণ্টিকতাৰ সুন্দৰ প্ৰতিফলন ঘটিছে। নীলা চৰাই +1

লক্ষণীয় বৈশিষ্ট্যসমূহ তলত উল্লেখ কৰা হ'ল:

## ১. দেশপ্ৰেম আৰু জাতীয় চেতনা

- বেজবৰুৱাৰ গীতৰ মূল প্ৰাণ হ'ল মাতৃভূমিৰ প্ৰতি অগাধ প্ৰেম আৰু ভক্তি।
- অসমীয়া জাতিৰ গৌৰৱ, ঐতিহ্য আৰু পৰিচয় তেওঁৰ গীতত সজীৱ হৈ উঠিছে। উদাহৰণস্বৰূপে, অসমৰ জাতীয় সংগীত **'অ' মোৰ আপোনাৰ দেশ'** গীতটিত মাতৃভূমিৰ প্ৰতি থকা তেওঁৰ অন্তৰ্নিহিত মৰম আৰু ব্যাকুলতা প্ৰকাশ পাইছে। Mahabahu.com

## ২. নাটকত গীতৰ সফল প্ৰয়োগ

- বেজবৰুৱাই তেওঁৰ নাটকসমূহত (যেনে— *জয়মতী, চক্ৰধ্বজ সিংহ, বেলিমাৰ*) পৰিস্থিতিৰ লগত সংগতি ৰাখি বিভিন্ন সুন্দৰ গীতৰ ব্যৱহাৰ কৰিছিল।
- এই গীতসমূহে নাটকৰ আখ্যানভাগ আগুৰি নিয়াৰ লগতে নাট্যৰস বৃদ্ধি কৰাত সহায় কৰিছিল। সাহিত্য ডট অৰ্গ

## ৩. সহজ-সৰল ভাষা আৰু স্বতঃস্ফূৰ্ততা

- তেওঁৰ গীতৰ ভাষা অতিজৰুৰীভাৱে সহজ, প্ৰাঞ্জল আৰু জনসাধাৰণৰ বোধগম্য।
- কৃত্ৰিমতাহীন প্ৰকাশভংগী আৰু ঘৰুৱা শব্দৰ ব্যৱহাৰে গীতবোৰক শ্ৰুতিমধুৰ কৰি তুলিছে।

## ৪. লোকসাহিত্যৰ প্ৰভাৱ

- অসমীয়া সমাজৰ লোকজীৱন, লোকাচাৰ আৰু সুৰৰ আধাৰত তেওঁৰ গীতি-কবিতাসমূহ গঠিত।
- প্ৰাচীন অসমীয়া পদ আৰু বৰগীতৰ সুৰৰ গোন্ধো তেওঁৰ বহু গীতত অনুভৱ কৰা যায়।

আপুনি যদি লক্ষ্মীনাথ বেজবৰুৱাৰ কোনো **নিৰ্দিষ্ট গীত** (যেনে 'অ' মোৰ আপোনাৰ দেশ') সম্পৰ্কে আৰু অধিক জানিব বিচাৰে, তেন্তে মোক জনাব পাৰে।

পৰা হেজাৰ মাইল দূৰত থাকিলেও মাতৃৰ কেঁচা মাটিৰ গোন্ধে তেওঁক ৰিঙিয়াই মাতিছিল। মাতৃসেৱাই জীৱনৰ অন্যতম ব্ৰত হিচাপে লোৱা বেজবৰুৱাই প্ৰতিটো উশাহতে সেই ভাৱ উজাই ল'ব পাৰিছিল। সেই আপোনসুৰ কলিকতাৰ অভিজাত সমাজতো তেওঁ বিচাৰি পোৱা নাছিল। সেয়ে তেওঁ লিখিছিল—

অ' মোৰ সুৰীয়া মাত!
অসমৰ সুৱদি মাত!
পৃথিৱীৰ ক'তো
বিচাৰি জনমটো
নোপোৱা কৰিলেও পাত।

(ল.বে.গ্ৰ, পৃ- ৪২১)

সহজ-সৰল হোজা অসমীয়া মানুহক লৈ বেজবৰুৱাই সপোন দেখিছিল। অসম আৰু অসমীয়া ভাষাক বিশ্বদৰবাৰত চিনাকি কৰাই দিবলৈ তেওঁ আপ্ৰাণ চেষ্টা কৰিছিল। ভাৰতবৰ্ষৰ আন আন ৰাজ্যৰ তুলনাত অসম কোনো কাৰণতে দুৰ্বল নহয়। প্ৰতিজন অসমীয়াৰ নিজা পৰিচয় আছে। প্ৰত্যেকে মহান অসমী আইৰ সন্তান। 'মোৰ দেশ'ৰ সমান্তৰালকৈ ৰচনা কৰিছিল 'অসম সংগীত'। যি গীতৰ শব্দে শব্দে নিহিত আছে জাতীয় ভাবধাৰা। সকলো দিশতে সমৃদ্ধ অসমীয়াৰ ভঁৰাল। কিন্তু সমৃদ্ধিশালী ভঁৰাল থকাৰ পিছতো নিজৰ এলেহুৱা স্বভাৱৰ বাবে নিজস্বতাৰ খবৰ নাৰাখোঁ। বেজবৰুৱাই গীতৰ ভাষাতেই কৈছে—

আমি অসমীয়া　　নহওঁ দুখীয়া
কিহৰ দুখীয়া হ'ম?
সকলো আছিল,　　সকলো আছে,
নুবুজো নলওঁ গম।

(ল.বে.ৰ, পৃ- ৪৮২)

অসমীয়া ভাষা জগত সভাত সমাদৃত ভাষা। যি সময়ত অসমীয়া ভাষাত অভিধান ৰচনা কৰা হৈছিল, সেই সময়তে ভাৰতবৰ্ষৰ আন আন প্ৰান্তীয় ভাষাত তেনে কোনো চিন্তা-চৰ্চাও হোৱা নাছিল।

'হেমকোষ' ৰচি　　হেমচন্দ্ৰ হেৰা
ভাষা আকাশৰ জোন,

স্বদেশ ভাষাত এনে শব্দকোষ
ভাৰতত ৰচিলে কোনে?

(ল.বে.গ্ৰ, পৃ- ৪৮৪)

অসমীয়া জাতি কেতিয়াও দুখীয়া নহয়। সকলো আছে অসমীয়াৰ। ভাষা, সাহিত্য, সংস্কৃতি, ইতিহাস, বুৰঞ্জী সকলোতে সমৃদ্ধ অসমৰ অসমীয়া। বেজবৰুৱাই নিজেই লিখি থৈ গৈছে— 'মাতৃভূমি আৰু মাতৃভাষাতকৈ কিবা সোৱাদৰ বস্তু এই পৃথিৱীত আছে যে ক'ব নোৱাৰোঁ। মানুহ যিমান কি নিজ দেশ আৰু নিজ মাতৰ পৰা আঁতৰি যাওক, হেজাৰ সি মুখেৰে স্বদেশ আৰু স্বভাষা দ্ৰোহী হওক, তাৰ অন্তৰ যদি সঁচাসঁচিকৈয়ে মানুহৰ অন্তৰ হয়, তেন্তে সি মাতৃভাষা আৰু মাতৃভূমিৰ নামত দ্ৰৱণ নহৈ নোৱাৰে।"[২]

অ' মোৰ সুৰীয়া মাত
অসমৰ সুৱদী মাত
পৃথিৱীৰ ক'তো বিচাৰি জীৱনটো
নোপোৱা কৰিলেও পাত।

(ল.বে.গ্ৰ, পৃ- ৪২১)

অসমীয়া মাত-কথাৰ উপৰি প্ৰতিবিধ অসমীয়া ব্যঞ্জনৰ জুতি বেজবৰুৱাৰ জিভাৰ আগত। গোটেই বিশ্বব্ৰহ্মাণ্ড, বসুমতী ঘূৰিলেও সেই সোৱাদ ক'তো বিচাৰি পোৱা নাযায়। বাংলা কবি দ্বিজেন্দ্ৰ লালৰ 'ধন্যধান্য এই পুষ্পভৰা আমাদেৰ এই বসুন্ধৰা' শীৰ্ষক গীতৰ আৰ্হিত বেজবৰুৱাই লিখিছিল— 'আমাৰ জন্মভূমি'

ক'ত আছে এনে চাউল পানীত দিলে ভাত?
ক'ত এনে কুঁজীথেকেৰা টেঙাই যায় দাঁত?
ক'ত পাবা পকা-খৰিচা, ক'ত ঢেঁকীয়া শাক?
এঠা দৈ ক'ত এনে নেৰায় ধুলে যাক।

(ল.বে.গ্ৰ, পৃ. ৪১৫)

অসমৰ ঢেঁকীয়া শাকৰ পৰা এঠা দৈ লৈ জিভাৰ আগত লাগি থকা বেজবৰুৱাৰ মতে অসমীয়াৰ নিচিনা সমৃদ্ধিশালী ভঁৰাল আন কোনো জাতিৰে নাই। অসমীয়াৰ পথাৰ লখিমীৰে ভৰপূৰ। প্ৰতিঘৰ অসমীয়াৰ বাৰীত জিলিকি আছে অসমীয়াৰ

পিতৃ-মাতৃৰ মুখত এটা হাঁহি বিৰিঙাই তুলিছিল ডাকোৱালজনে। অতীতৰ দিনত ডাকোৱালজন ভিন্নজনৰ সুখৰ কাৰক আছিল। ডাকোৱালৰ কান্ধত বিশেষভাৱে ওলমি থকা মোনাখনে সুখ-দুখৰ সম্ভাৰ কঢ়িয়াই ফুৰিছিল। বিদেশত কৰ্মৰত স্বামীৰ বিৰহত কাতৰ পত্নীৰ মনৰ উচপিচনি, পিতৃৰ সুখৰ বতৰা, প্ৰিয় বন্ধুৰ লগতে প্ৰিয়জনৰ মনৰ খবৰ কঢ়িয়াই ফুৰা ডাকোৱালজনক লৈ অসমীয়া সাহিত্যত বিবিধ শ্ৰেণীৰ গীত ৰচিত হৈছে। চিঠিভৰ্ত্তি মোনাৰ ৰুণুক-জুনুক শব্দত বেজবৰুৱায়ো উচপিচাই উঠিছে—

কই যোৱা ডাকোৱাল! খোজ কিয় কোবাল?
ৰুণুকজুনুক কিনো বাজে?
তোমাৰ সি টোপোলাত চিঠি নামে অসংখ্যাত
কিনো অদ্ভুত বস্তু বাজে?

(ল.বে.গ্ৰ, পৃ. ৪১৭)

ঃ গীতি-সাহিত্যৰ ক্ষেত্ৰখনলৈ পাশ্চাত্যৰ সুৰ কঢ়িয়াই অনা প্ৰথমগৰাকী গীতিকাৰ লক্ষ্মীনাথ বেজবৰুৱা। সেয়া হ'লেও বেজবৰুৱাৰ প্ৰতিটো গীত জাতীয় ঠাঁচত ঢলা। জ্যোতিপ্ৰসাদ আগৰৱালাই বেজবৰুৱাৰ গীতৰ বিষয়ে কৈ গৈছে "অসমীয়া জতুৱা গীতৰ আদৰ্শ যে বেজবৰুৱাৰ গীতবোৰেই তাক নক'লেও হ'ব। তেওঁৰ গীতবোৰ এনেকুৱা ভাৱ আৰু ভাষাৰে জাতীয় ঠাঁচত লিখি থৈ গৈছে যে সি অসমীয়া গীত ৰচকৰ পৰা আপুনি টানি তাৰ উপযোগী সুৰ উলিয়াই আনিব পৰা ক্ষমতা আছে।"[৩]

ঃ বেজবৰুৱা স্বভাৱতে গহীন-গম্ভীৰ। এইগৰাকী বেজবৰুৱাই সময়ে-সময়ে আন এক ৰূপ ধাৰণ কৰিছিল। যি ৰূপেৰে তেওঁ কৃপাবৰ বৰুৱা নাম লৈ একশ্ৰেণীৰ ব্যংগাত্মক সাহিত্য ৰচনা কৰিছিল। প্ৰকৃতাৰ্থত হাঁহিৰ ছলেৰে অসমীয়া মানুহৰ দোষ-ত্ৰুটিবোৰ উদঙাই দিবলৈ প্ৰয়াস কৰিছিল কৃপাবৰে। হাস্যৰসৰ ভঁৰাল কৃপাবৰে সময়ে-সময়ে গহীন-গম্ভীৰ বেজবৰুৱাক কক্ষচ্যুত কৰাইছিল। 'তিলকা' চৰিত্ৰটিক লৈ লিখা গীতটি ইয়াত শ্ৰেষ্ঠ উদাহৰণ। গিৰীয়েকৰ মুখ নেদেখাকৈয়ে বিধৱা হোৱা তিলকা মাত্ৰ দহ বছৰীয়া ছোৱালী। নিজৰ বুলিবলৈ কেউ কিছু নোহোৱা তিলকাক বুঢ়ীমাক ৰাঙলীয়ে খুজি-মাগি প্ৰতিপালন কৰিছিল। এদিন ৰাঙলী বুঢ়ীৰ মৃত্যু হোৱাত তিলকাৰ মনৰ সন্তাপ প্ৰকাশ কৰি বেজবৰুৱাই এটি গীত ৰচনা কৰিছিল—

তিলকা হেনো তোৰ তামোলৰ ডাবি,
বুকুৰে তিলক বুকুতে থ'বি

বঙাল কাটি খাস্তাং কৰিম
টাক্ ধিনা ধিন্ ধিন্।

(ল.বে.গ্র, পৃ. ৬৯১)

অসমী আইৰ সন্তান হৈ বেজবৰুৱাই নিজকে ধন্য মানিছে। এইহেন সোণৰ অসমৰ মৰমী কোমল কোলাত মূৰ থৈ জীৱনৰ শেষ নিশ্বাস ত্যাগ কৰি পুনৰ ইয়াতে জন্ম হ'বলৈ প্ৰয়াস কৰা বেজবৰুৱাই গাইছে—

সোণৰ অসমত আমাৰ জনম,
সোণৰ মাটি পানী।
অসমত মৰি ধইন হম,
অসম আমাৰ ৰাণী।
অসমৰ আকাশ, অসমৰ বতাহ,
অসমৰ কোমল কোলা,
জনমে জনমে আমাৰ হওক
'জয় জয় অসম' বোলা।।

(ল.বে.গ্র, পৃ. ৬৯২)

**সামৰণি ঃ**

জীৱনৰ সৰহখিনি সময় কলিকতাৰ বঙালী পৰিয়াল আৰু সমাজৰ লগত থাকিলেও বেজবৰুৱাৰ মন প্ৰাণ প্ৰতি পলতে অসমী আইৰ ওচৰতে আছিল। সেয়ে তেওঁ আইৰ মুখৰ ভাষাৰে আইৰ উন্নতি আৰু বিকাশৰ বাবে লিখিব পাৰিছিল বিচিত্ৰ সাহিত্যসম্ভাৰ। মন কৰিবলগীয়া যে আন আন গীতিকাৰৰ তুলনাত বেজবৰুৱাৰ গীতৰ

সংখ্যা যথেষ্ট নহয়। কবিতাৰ তুলনাত গীতৰ সংখ্যা সীমিত। কিন্তু, সেয়া হ'লেও সীমিতসংখ্যক গীত ৰচনা কৰিলেও আধুনিক অসমীয়া গীতৰ ক্ষেত্ৰখনলৈ তেওঁৰ অৱদান অনন্য। কিন্তু দুখৰ বিষয় যে বেজবৰুৱাৰ সমৃদ্ধিশালী গীতৰ সম্ভাৰৰ সাম্প্ৰতিক সময়ত উপযুক্ত চৰ্চা দেখিবলৈ পোৱা নাযায়। বেজবৰুৱাৰ গীত বুলি ক'লে 'জাতীয় সংগীত' আৰু 'অসম সংগীত'ৰ মাজতে যেন সীমাবদ্ধ কৰি থ'ব খোজোঁ। কিন্তু বেজবৰুৱাই উচ্চ স্তৰত জাতীয় ভাবধাৰাৰ এক শ্ৰেণীৰ গীত ৰচনা কৰাৰ সমান্তৰালকৈ প্ৰেম বিষয়ক, প্ৰকৃতি বিষয়ক, ব্যংগাত্মক গীত ৰচনা কৰি গৈছে। নৱপ্ৰজন্মৰ মুখতো এই গীতবোৰৰ চৰ্চা দেখা নাযায়। সাহিত্যৰথীগৰাকীৰ ডেৰশ বছৰীয়া জন্মজয়ন্তী উপলক্ষে 'মোৰ দেশ' গীতটিৰ যিমানবোৰ গৱেষণাধৰ্মী আলোচনা দেখা গ'ল, আন গীতৰ ক্ষেত্ৰত তেনে আলোচনা পোৱা নগ'ল। সাহিত্যৰ ক্ষেত্ৰতো বেজবৰুৱা আন আন বিষয়বোৰৰ ওপৰত যি ধৰণৰ আলোচনা হৈছে, গীতৰ ক্ষেত্ৰত সেয়া বিৰল। আধুনিক অসমীয়া গীতৰ প্ৰথম স্তৰৰ গীত হিচাপে বেজবৰুৱাৰ গীতৰ সামগ্ৰিক চৰ্চা হোৱা নাই। কেৱল জাতীয় সংগীতৰেই নহয়, বেজবৰুৱাৰ প্ৰেমৰ গীত, ব্যংগাত্মক গীতবোৰো জগত সভাত জিলিকি থাকক, সেয়াই আমাৰ কাম্য। কিয়নো বেজবৰুৱাৰ গীতৰ ভাব, ভাষা আৰু সৌন্দৰ্য্যৰে আটাইখিনি গীতে অসমীয়া গীতি-সাহিত্যৰ লগতে অসমীয়া ভাষাৰ উত্তৰণৰ ক্ষেত্ৰতো অমূল্য সম্পদ।

পাদটীকা ঃ

১। অসমীয়া আধুনিক সংগীতৰ ইতিহাস, পৃ-১১৭

২। জোনাকী, জেঠ-আহাৰ, ১৮১৭ শক

৩। অসমীয়া আধুনিক সংগীতৰ ইতিহাস, পৃ-৭২

সহায়ক গ্ৰন্থপঞ্জী ঃ

মুখ্য সমল ঃ

➢ পাঠক, ৰমেশ (সম্পা) ঃ *লক্ষ্মীনাথ বেজবৰুৱাৰ গ্ৰন্থাৱলী*, ১ম খণ্ড, ... সংস্কৰণ। গুৱাহাটী। অশোক বুক ষ্টল। ২০১৯, প্ৰকাশিত।

গৌণ সমল ঃ

বনভয়ো ভবন হামাৰি ।।

- - - - - - - - - ”

(লক্ষ্মীনাথ বেজবৰুৱা নিৰ্বাচিত নাট্য সম্ভাৰ পৃ ঃ- ১০৩)

ঠিক তেনেদৰে নাটখনৰ প্ৰথম অংকৰ তৃতীয় দৰ্শনত জয়মতীৰ সখী সেউতীৰ মুখত দিয়া গীতটিৰ প্ৰথম অংশ হ'ল-

"সখী হে। কি কম দুখৰ কথা, অমৃত মথোঁতে বিষ উপজিল,
মিঠা মৌ হ'ল তিতা।"

(লক্ষ্মীনাথ বেজবৰুৱা নিৰ্বাচিত নাট্য সম্ভাৰ পৃ ঃ- ১০৭)

বেজবৰুৱাদেৱৰ দুয়োটা গীতেই বৰগীতৰ গীতৰ আৰ্হিত ৰচিত। গীত দুটাৰ মাজেদি এক কৰুণ সুৰ ধ্বনিত হৈছে।

বেজবৰুৱাদেৱে লোকগীতৰ আৰ্হিত অনেক গীতৰ ৰচনা কৰিছিল। স্মৰ্তব্য যে পোনপ্ৰথমবাৰৰ বাবে লক্ষ্মীনাথ বেজবৰুৱাই লোকসংগীতৰ সুৰ আৰু শব্দচয়ন বুটলি আনি নিজস্ব ষ্টাইলেৰে তাক প্ৰকাশ কৰিছিল আৰু নব্য শিক্ষিতৰ দৃষ্টি আকৰ্ষণ কৰিছিল। 'জয়মতী কুঁৱৰী' নাটকখনত লোকগীতৰ আৰ্হিত ৰচিত বিভিন্ন প্ৰকাৰৰ গীত দেখা পোৱা যায়। নাটখনৰ তৃতীয় অংকৰ প্ৰথম দৰ্শনত ল'ৰা ৰজাৰ ভাৰ্যা পাটমাদেৱৰ লিগিৰী বন্দুলীৰ মুখত দিয়া ধাইনাম, চতুৰ্থ অংকৰ প্ৰথম দৰ্শনত জয়মতীৰ লচাইক কোলাত লৈ জয়মতীৰ লিগিৰী তৰবৰীয়ে গোৱা নিচুকনি গীত, তৃতীয় নামা বঢ়া গামৰ জীয়েক ডালিমীয়ে গোৱা বিহুগীত আৰু শিশুগীতৰ প্ৰথম তলত উল্লেখ কৰা হ'ল—

১) "বৰচৰাৰ মুখতে বকুল ফুল ফুলিছে,
নিতৌ তিনিপাহ সৰে।
সৰ্গদেওৰ চকুলৈ চাবকে নোৱাৰি
হীৰা কি মুকুতা জ্বলে। " (ধাইনাম)

(লক্ষ্মীনাথ বেজবৰুৱা নিৰ্বাচিত নাট্য সম্ভাৰ পৃ ঃ- ১২২)

২) "গা হেলিমেলি কৰিছে বোপাদেওৰ,
হলে শয়নৰ বেলি।
চকু তিৰেবিৰে কৰিছে বোপা দেওৰ,
লোৱাঁহি পাটীতে লেটি।। " (নিচুকনি গীত)

(লক্ষ্মীনাথ বেজবৰুৱা নিৰ্বাচিত নাট্য সম্ভাৰ পৃ ঃ- ১৩৩)

৬) অতি হেঁপাহেৰে ৰচিলো শয্যা,
কোমল কুসুম পাতি,
আহাঁ প্ৰিয়তম! আহাঁ বন্ধু মোৰ!
নিদ্ৰাত কটাম ৰাতি।" (পিজৌ)
(লক্ষ্মীনাথ বেজবৰুৱা নিৰ্বাচিত নাট্য সম্ভাৰ, পৃ. ২৩৩)

৭) "হায়। ইকবাৰ মৰণ।
দুই ম'হৰ যুজ লাগে, জোল হ'ল বন।" (সোৰণশিৰি)
(লক্ষ্মীনাথ বেজবৰুৱা নিৰ্বাচিত নাট্য সম্ভাৰ, পৃ. ২৩৮)

৮) "মেলি দে নাও নাৱৰীয়া কাই!
লুইতৰ সোঁত ধীৰ বলি যায়।" (সোৰণশিৰি)
(লক্ষ্মীনাথ বেজবৰুৱা নিৰ্বাচিত নাট্য সম্ভাৰ, পৃ. ২৫৫)

৯) "কোনে কয় নুপুৰায় আঁউসীৰ ৰাতি?
আঁউসীয়ে আগবঢ়ায় পূৰ্ণিমাৰ ৰাতি।" (ধনশিৰী)
(লক্ষ্মীনাথ বেজবৰুৱা নিৰ্বাচিত নাট্য সম্ভাৰ, পৃ. ২৬৬)

এইবোৰ গভীৰ ভাবব্যঞ্জক গীত। ইয়াৰে কিছুমান গীতত যদি বিষাদৰ সুৰ ধ্বনিত হৈছে, কিছুমানত আকৌ সূক্ষ্ম ৰোমাণ্টিক অনুভূতি মূৰ্ত্ত হৈ উঠিছে।

**লক্ষ্মীনাথ বেজবৰুৱাৰ নাটকৰ গীতৰ বৈশিষ্ট্য—**

বেজবৰুৱাদেৱৰ নাটকৰ গীতসমূহ অধ্যয়ন কৰিলে কেতবোৰ বৈশিষ্ট্য চকুত পৰে। সেইবোৰ হ'ল—

১) বিদ্ৰূপাত্মক গীতৰ প্ৰয়োগ বেজবৰুৱাদেৱৰ গীতৰ এক অন্যতম বৈশিষ্ট্য। বেজবৰুৱাই এলেহুৱা অসমীয়া জাতিটোক ব্যংগ কৰাৰ উদ্দেশ্যে নাটকত কেতবোৰ ব্যংগাত্মক গীত ব্যৱহাৰ কৰিছিল।

২) বেজবৰুৱাই পাঠকৰ মনত নিৰ্মল হাস্যৰস সৃষ্টিৰ বাবে নাটকত কিছুমান ধেমেলীয়া গীতৰ ব্যৱহাৰ কৰা দেখা যায়।

৩) লক্ষ্মীনাথ বেজবৰুৱাৰ নাটকৰ গীতৰ আন এক বৈশিষ্ট্য হ'ল- স্বদেশপ্ৰেম। নাট্যকাৰজনৰ হৃদয়ত উথলি উঠা দেশপ্ৰেমৰ ভাৱনাক পাঠকৰ মাজলৈ সঞ্চাৰিত

কৰাৰ বাবে তেখেতে নাটকসমূহত স্বদেশপ্ৰেমমূলক গীত ব্যৱহাৰ কৰিছিল। আনকি ব্যংগাত্মক গীতসমূহৰ অন্তৰালতো যে দেশপ্ৰেম লুকাই আছিল, গীতসমূহ অধ্যয়ন কৰিলে তাৰ অনুমান কৰিব পাৰি।

৪) এক নৈষ্ঠিক বৈষ্ণৱ পৰিয়ালত জন্মগ্ৰহণ কৰা বেজবৰুৱাদেৱে সৰুৰে পৰাই বৈষ্ণৱ ভাৱাদৰ্শৰ দ্বাৰা বিশেষভাৱে প্ৰভাৱান্বিত হৈছিল। সেয়েহে তেওঁৰ নাটকত ব্যৱহৃত গীতসমূহত কীৰ্তন-নামঘোষা-বৰগীত আদিৰ প্ৰভাৱ পৰা দেখা যায়।

৫) লোক-সংগীতৰ প্ৰভাৱ তেওঁৰ গীতৰ আন এক বৈশিষ্ট্য। নাটকেইখনত অসমীয়া মাটিৰ গোন্ধ থকা বিহুগীত, ধাইনাম, নিচুকনি গীত, শিশুগীত আদিৰ আধাৰত বেজবৰুৱাই অনেক গীত ৰচনা কৰিছিল।

৬) বেজবৰুৱাৰ নাটকৰ কিছুমান গীতত সূক্ষ্ম ৰোমাণ্টিক অনুভূতিৰ উপস্থিতি থকা দেখা যায়। মানৱ মনৰ কোমল অনুভূতিক গীতৰ মাজেৰে সিক্ত কৰিবলৈ ৰচনা কৰা এই ৰোমাণ্টিক গীতসমূহ বেজবৰুৱাৰ অপূৰ্ব সৃষ্টি।

৭) প্ৰকৃতিৰ মনোমোহা দৃশ্যৰ লগতে জনজীৱনৰ হাঁহি-কান্দোনৰ দৃশ্য চিত্ৰণ, বেজবৰুৱাৰ নাটকৰ গীতৰ অন্যতম বৈশিষ্ট্য।

৮) ইতিহাসৰ ঘটনাক কেন্দ্ৰ কৰিও বেজবৰুৱাই নাটকত কেতবোৰ গীত ৰচনা কৰিছিল।

এনেদৰে নাট্যকাৰে নাটকৰ কলাত্মক ৰূপটোক অধিক মনোগ্ৰাহী কৰিবলৈ বিভিন্ন ধৰণৰ গীত ব্যৱহাৰ কৰিছিল। অসমীয়া গীতি সাহিত্যৰ গতি পৰিক্ৰমাত এই গীতসমূহৰ বলিষ্ঠতা কোনেও নুই কৰিব নোৱাৰে।

**সামৰণি ঃ** শৈশৱ কালৰ পৰাই লক্ষ্মীনাথ বেজবৰুৱাৰ সংগীতৰ লগত সম্পৰ্ক আছিল। "বেজবৰুৱাৰ জীৱন সোঁৱৰণৰ পৰা বুজিব পাৰি যে তেওঁ সৰুৰে পৰা মুকলিমূৰীয়া আছিল। খেলা-ধূলা কৰি, মেল মাৰি সকলোৰে লগতে মিলি যাব পৰা ধৰণৰ লোক আছিল তেওঁ। আনহাতে পৰিয়ালৰ মাজত আছিল বৈষ্ণৱ পৰম্পৰাৰ এক জীৱন্ত অনুশীলন। গতিকে বেজবৰুৱাৰ মন মানসিকতা অসমৰ বৈষ্ণৱ আৰু লৌকিক সংস্কৃতিৰ সবল অনুভৱেৰে আলোড়িত হৈ আছিল।"[২৬] সেয়েহে বেজবৰুৱাৰ স্বদেশপ্ৰেমমূলক গীতকেইটাৰ বাহিৰে অন্যান্য প্ৰায়বোৰ গীততেই কীৰ্ত্তন-নামঘোষা বৰগীতৰ লগতে অসমীয়া লোক-সংগীতৰ সুৰ আৰু সেই গীতবোৰৰ মাজত প্ৰাণৱন্ত হৈ থকা অসমীয়া বাৰেৰহণীয়া প্ৰকৃতি আৰু জনজীৱনৰ হাঁহি-কান্দোনৰ চিত্ৰ সুন্দৰ ৰূপত ফুটি উঠা দেখা যায়। উদাহৰণস্বৰূপে— 'জয়মতী কুঁৱৰী' নাটকৰ 'সখী হে কি কম দুখৰ কথা' শীৰ্ষক গীতটিৰ শাৰীকেইটাৰ মাজত বৰগীতৰ সুৰ শুনা যায়।

গীতটিৰ 'কি কম দুখৰ কথা' শাৰীকেইটা ' আলো মাই কি কহবো দুখ' হিচাপে ধ্বনিত হয়। গীতটোৰ মাজত সূক্ষ্ম ৰোমান্টিক দুঃখবোধৰ উপস্থিতি আছে। ঠিক তেনেদৰে মহাপুৰুষ শংকৰদেৱৰ 'তেজৰে কমলাপতি পৰভাতে নিন্দ' বৰগীতটোক 'এৰ অসমীয়া কাই ৰাতিপুৱা নিন্দ। তোৰ উখহা মুখ চাওঁ উঠ হেৰ ঢোদ' ৰূপে ব্যংগ কৰি সুপ্ত সমাজখনক জাগ্ৰত কৰিবলৈ চেষ্টা কৰিছিল। ইয়াৰ উপৰিও প্ৰকৃতিৰ ৰূপত মন্ত্ৰমুগ্ধ বেজবৰুৱাই 'জয়মতী কুঁৱৰী' নাটকত ডালিমীৰ মুখত দিয়া ল'ৰা-বুঢ়া কাক কয় / ডালিমী নুবুজে তাক, গীতটিৰ প্ৰকৃতি চিত্ৰণ মনোমোহা। সেইদৰে 'চক্ৰধ্বজ সিংহ'ৰ লাচিতৰ বৰ জীয়ৰী চেনেহীৰ মুখত দিয়া 'নিকুঞ্জলতা সপোন মগন বাঁহীৰ অমিয়া পি' গীতটি ৰোমান্টিক গীত হিচাপে বেজবৰুৱাৰ অপূৰ্ব সৃষ্টি। মুঠতে ক'বলৈ হ'লে "বেজবৰুৱাৰ কবিতা আৰু গীতৰ ভূৱন গঢ়ি উঠিছে অসমৰ প্ৰকৃতি, ইতিহাস, প্ৰেম, ঐতিহ্য, লোককথা, অতীন্দ্ৰিয়তা, হাস্যমধুৰতা আদিক কেন্দ্ৰ কৰি। এই উপাদানবোৰ কবিতাৰ শৰীৰত পৰস্পৰ সংযুক্ত। তেওঁৰ সমস্ত সাহিত্যৰ মাজত অসমখন সোমাই থকাৰ দৰে তেওঁৰ গীত আৰু কবিতাৰ শৰীৰতো সেই ভাব-অনুভাব পূৰ্ণৰূপেই মুকুলিত।"[৭] লক্ষ্মীনাথ বেজবৰুৱা পেছাত গীতিকাৰ নাছিল। কিন্তু গীতিকাৰ হিচাপে বেজবৰুৱা যে এক অনন্য প্ৰতিভাৰ অধিকাৰী আছিল আৰু আধুনিক অসমীয়া গীতক এটা গত লগাই দিয়াৰ ক্ষেত্ৰত যে তেওঁ এক অনন্য ভূমিকা পালন কৰিছিল সেই কথা নিঃসন্দেহে ক'ব পাৰি।

**সহায়ক গ্ৰন্থপঞ্জী ঃ**

➤ গোস্বামী, যতীন্দ্ৰনাথ। *সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা।* গুৱাহাটী ঃ জ্যোতি প্ৰকাশন, ২০১৪ (১৯৬৮)। প্ৰিন্ট।

➤ বৰা, অঞ্জল। *লক্ষ্মীনাথ বেজবৰুৱা জীৱন আৰু সাহিত্য।* ধেমাজি ঃ কিৰণ প্ৰকাশন, ২০১৪। প্ৰিন্ট।

➤ হাজৰিকা, উৎপল (প্ৰকাশক)। *লক্ষ্মীনাথ বেজবৰুৱা নিৰ্বাচিত নাট্য সম্ভাৰ।* গুৱাহাটী ঃ লাৱণ্য প্ৰকাশন, ২০১০। প্ৰিন্ট।

➤ শৰ্মা, অনুৰাধা। *কালান্তৰৰ কাণ্ডাৰী।* গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ, ২০১৪। প্ৰিন্ট।

➤ শৰ্মা, অনুৰাধা (সম্পা)। *আধুনিকতাৰ অধিনায়ক সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা।* গুৱাহাটী ঃ জ্যোতি প্ৰকাশন, ২০১৪। প্ৰিন্ট।

➤ বৰা, অঞ্জল। *বেজবৰুৱাৰ নাটকত গীতৰ প্ৰভাৱ।* xahitya.org (অনলাইন আলোচনী)। দশম বৰ্ষ দ্বাদশ সংখ্যা, জুলাই, ২০২১ (ইণ্টাৰনেটৰ পৰা সংগৃহীত)